# কথা-মালিতা

মঞ্জিৰা শৰ্মা



# কথা-মালিতা

মঞ্জিৰা শৰ্মা

পূৰ্বায়ণ
প্ৰকাশন

**Katha-Malita**
Selected Poem & Songs Written by Manjira Sarma and published by Purbayon Publication, Panbazar, Guwahati-1, Assam, India.
**1st Edition :** January, 2023 Price : 150/-
ISBN : 978-81-19001-06-4

# কথা-মালিতা

প্ৰথম প্ৰকাশ ঃ জানুৱাৰী, ২০২৩
প্ৰচ্ছদ ঃ জয়ন্ত ডেকা
গ্ৰন্থস্বত্ব ঃ লেখক

মূল্য ঃ ১৫০.০০ টকা

প্ৰকাশক ঃ
পূৰ্বায়ণ প্ৰকাশন
যশোৱন্ত ৰোড, পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয়ৰ সমীপত
পাণবজাৰ, গুৱাহাটী-১, অসম
Email- purbayonindia21@gmail.com
website: purbayonpublication.com
✆ ৯৮৬৪৪২২১৫৭

**Printed at :** Purbayon Publication Pvt. Ltd.
Panbazar, Guwahati- 1, Assam, India



# উছৰ্গা

দেউতা, কপালৰ ঘাম মাটিত পেলাই সংসাৰ পথাৰ কাহানিও খৰাং হ'বলৈ নিদিলা। সততা, নিষ্ঠা আৰু একাগ্ৰতাক সাৰথি কৰি জীৱন নাৱৰ ব'ঠা কোবাই আমাক পাৰত লগাই দিলা। এজোপা বটবৃক্ষ হৈ দুখ-যন্ত্ৰণাৰ ৰ'দে পুৰিবলৈ নিদিয়াকৈ আমাক শান্তিৰ শীতল ছায়াত আৱৰি ৰাখিলা। আজি তুমি নাই, কেতিয়াবা অনুভৱ কৰোঁ, দুখৰ ৰ'দে পুৰিলে তাৰ তাপ সহা কিমান কঠিন! তোমাৰ ঋণ একোৰেই পৰিশোধ কৰা নাযায়, নোৱাৰো কৰিব। মনৰ কথাবোৰ তোমাৰ দৰেই লিখি থৈছিলো দেতা, তোমাক দিলো। 'য'তেই আছা শান্তিত থাকা'।

# আগকথা

'সবায় কবি নয়, কেও কেও কবি'— কথাষাৰ কাহানিবাই মনত গোঁজ পুতি বহি লৈছিল আৰু সেয়ে কাহানিও 'কবি' হোৱাৰ বাসনা মনত জাগি উঠা নাই বা 'কবি' হোৱাৰ সপোনো দেখা নাই। কিন্তু কেতিয়াবা কিছুমান কথা বা ঘটনাই মনত দোলা দি যায় আৰু তাক লিপিবদ্ধ কৰি থোৱাটো মোৰ এটা নিচা, হেঁপাহ বা অভ্যাস। তাৰেই ফলশ্ৰুতিত মনৰ ভাববোৰৰ বহিঃপ্ৰকাশ হয় কেতিয়াবা ছন্দে ছন্দে ঠেকা খোৱা কিছুমান শব্দৰ মাধ্যমেৰে, কেতিয়াবা ছন্দমুক্ত হৈ স্পন্দিত গদ্যৰ ৰূপত ওলোৱা কিছুমান শব্দৰ মাজেৰে, কেতিয়াবা শব্দবোৰে আলাপ-সংলাপবো ৰূপ লয়, আৰু কেতিয়াবা ছন্দোবদ্ধ বা মুক্তক ছন্দৰ কিছুমান শব্দক সুৰত বান্ধি গাবলৈ চেষ্টা কৰা হয়, আত্মসন্তুষ্টিৰ বাবে। কেতিয়াবা তাত জীৱনৰ কথা থাকে, কেতিয়াবা তাত সমাজক প্ৰতিফলিত কৰাৰ এটা হেঁপাহ লুকাই থাকে। এই শব্দ বা সুৰবোৰে প্ৰকাশৰ বাট বিচাৰি পায় কেইগৰাকীমান বিশেষ ব্যক্তি বা শুভাকাংক্ষীৰ উৎসাহ-অনুপ্ৰেৰণাত। এইক্ষেত্ৰত মোৰ স্বামী তাপস কুমাৰ মিশ্ৰ (অধিবক্তা, গুৱাহাটী উচ্চ ন্যায়ালয়), আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ (জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো) ড° তপন দত্তদেৱ আৰু পূৰ্বায়ণ প্ৰকাশনৰ স্বত্বাধিকাৰী ড° অমৃত কুমাৰ উপাধ্যায়ৰ নাম অন্তৰৰ সমস্ত কৃতজ্ঞতাৰে লৈছোঁ আৰু আজীৱন কৃতজ্ঞ হৈ ৰ'ম। ড° বিনীতা বৰা দেৱচৌধুৰী (সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ, সহযোগী কলাগুৰু, মানবিক আৰু সমাজ বিজ্ঞান শাখা, ভট্টদেৱ বিশ্ববিদ্যালয়, বজালী) আৰু দেৱজিৎ চৌধুৰী (অভিযন্তা, বিশিষ্ট কণ্ঠশিল্পী তথা সংগীত পৰিচালক) মোৰ শব্দ আৰু সুৰ সৃষ্টিৰ প্ৰেৰণা। এই ছেগতে দুয়োগৰাকীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তদুপৰি তেজৰ সম্পৰ্ক থকা, আত্মিক সম্পৰ্কৰ জৰীৰে বান্ধ খোৱা অসংখ্য শুভাকাংক্ষী মোৰ জীৱনৰ প্ৰতিটো খোজতে প্ৰেৰণাৰ উৎস হৈ আছে, আজীৱন থাকিব। সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি মোৰ এই ক্ষুদ্ৰ প্ৰয়াস 'কথা-মালিতা' আপোনালোকলৈ আগবঢ়ালোঁ। মৰমেৰে আদৰি ল'লে সুখী হ'ম।

শ্ৰদ্ধাৰে

মঞ্জিৰা শৰ্মা

# সূচীপত্ৰ

ছন্দশিল্প
আজি মনৰ ভঁৰাল ভৰাই ৰখাৰ দিন / ১১
প্ৰত্যাহ্বান প্ৰয়াসী তাই নাৰী / ১৩
সকলোৰে আছে সুখী হোৱাৰ অধিকাৰ / ১৬
সেন্দূৰৰঙী এটি গীত / ১৯
হেৰোৱা সপোনৰ আঁত বিচাৰি / ২০
ৰাধা হ'ব নোখোজো মই / ২২
য'তেই আছ শান্তিত থাক / ২৫
আশা / ২৭
আত্মানুসন্ধান / ২৮
এটা সপোনৰ মৃত্যু / ২৯
মহামাৰী, মুখা আৰু মনুষ্যত্ব / ৩১
এয়াতো নহয় অহাৰ সময় / ৩৩
জীৱনৰ ক'লা-বগা ৰং / ৩৫
জীৱনৰ বেলি লহিয়াইছে / ৩৭
জীৱন কেনভাছত এচিকুট সুখৰ ৰং / ৩৯
এটা ৰূপালী গান / ৪১
দেৱযানী / ৪৩
প্ৰতিটো দিন প্ৰেমৰ দিন / ৪৫
একেটি জীৱন একেটি গান / ৪৮
শেষ উশাহলৈকে মোৰ হৃদয়ত থাকিবি / ৪৯
প্ৰেম / ৫০

মুখা খুলিবৰ সময় হ'ল / ৫২
তোমাক মনত পেলাবলে নাই প্ৰয়োজন কবিতা সভাৰ / ৫৫
এন্ধাৰৰ আলাপ / ৫৭
স্বাধীনতা / ৫৯
প্ৰাপ্তিৰ ঠিকনা / ৬১
প্ৰেমৰ দিৱস / ৬৩
নিমাতীঘাট শুইছে এতিয়া / ৬৭

গুণ গুণ গানে গানে / ৭১
গীত-১ / ৭৩
গীত-২ / ৭৪
গীত-৩ / ৭৫
গীত-৪ / ৭৬
গীত-৫ / ৭৭
গীত-৬ / ৭৮
গীত-৭ / ৭৯
আলাপ-সংলাপ / ৮১
জীৱনৰ ডুখৰীয়া ছবি / ৮৭

# ছন্দশিল্প

# আজি মনৰ ভঁৰাল ভৰাই ৰখাৰ দিন

আজি হেনো আহিনৰ শেষৰ দিন
আমাৰ সপোনবোৰে
পোখা মেলা দিন
পথাৰৰ সোণগুটি বুটলিবলৈ
সাজু হোৱাৰ দিন
ভোক আৰু ঘামৰ কবিতা লিখা খেতিয়কৰ
দুচকুত আশাই লুকাভাকু খেলা দিন
আজি হেনো
মাটিৰ চাকিৰ পোহৰে
মনাকাশ পোহৰ কৰাৰ দিন
প্ৰাচুৰ্যৰ অহংকাৰ নাশ কৰি
ভকতিৰ আলোকেৰে
ঘৰলৈ লখিমী আদৰা দিন।

আজি
ধানৰ ভঁৰাল উদং হ'লেও
মনৰ ভঁৰাল ভৰাই ৰখাৰ দিন
মৰমেৰে, হেঁপাহেৰে
বিশ্বাসেৰে, আন্তৰিকতাৰে।
সেয়ে
আজিৰ দিন
নহয় কঙালী
আজিৰ দিন
পূৰ্ণতাৰ দিন
প্ৰাপ্তিৰ দিন
সমৃদ্ধিৰ দিন
আজি
আহিন আৰু কাতিৰ সংক্ৰান্তিৰ দিন
অসমীয়াৰ উশাহ আৰু নিশাহ
বিহুৰ দিন।
*(কাতি বিহু উপলক্ষে লিখা)*

# প্ৰত্যাহ্বান প্ৰয়াসী তাই নাৰী

তাই নাৰী
বহুতৰ বাবে নাৰীৰ সংজ্ঞা
পিয়লাত থোৱা পানী,
য'তেই থোৱা হয়
তাৰেই আকাৰ লোৱা
পানীৰ দৰেই হেনো
এগৰাকী নাৰী।
উহো, আজিৰ নাৰী
প্ৰত্যাহ্বান প্ৰয়াসী,
পিয়লাত থোৱা পানী
নাইবা, গছত বগোৱা লতা
নহয় তাই আজি।
সময়ত তাই শিলতকৈও কঠিন
তীখাতকৈও টান
কাটি কাটি তাইক
নিজৰ মতে আকাৰ দিবলৈ বিচৰাজন
উজুতি খাবলৈ কিমান পৰ বাকী?
জীৱনৰ প্ৰচণ্ড ধুমুহাত
নীড়হাৰা ক্ৰন্দসী পখীৰ দৰে
ছটফটাই ছটফটাই
তাই পুনৰ মূৰ দাঙি উঠে
ধুমুহাৰ সতে যুঁজিবলে।।

তাই নাৰী
মাটিৰ দৰে তাই সহনশীলা
প্ৰকৃতিৰ দৰেই ধৈৰ্যশীলা
কিন্তু, জয়মতী, সীতা-সাবিত্ৰী
তাইৰ বাবে আজি
দূৰ আকাশৰ তৰা।
তাই বিচাৰে প্ৰত্যাহ্বানৰ মাজেৰে
অগ্নিপৰীক্ষা,
যিয়ে দিব পাৰে তাইক
প্ৰকৃত নাৰীৰ মৰ্যাদা।
তাই নাৰী
শিৰত দগমগাই থাকে
স্বামীৰ আয়ুসৰ ৰেখা
কিন্তু "পুত্ৰাৰ্থে ক্ৰিয়তে ভাৰ্যা"
আজি তাইৰ বাবে
এক ভাঙিব নোৱাৰা সাঁথৰ,
কেৱল সন্তানৰ বাবেই নহয়
সঁচা প্ৰেমৰ সৌধ নিৰ্মাণ কৰি
দুটি আত্মা এক হোৱাৰ
প্ৰতীক হ'ব খোজে তাই,
তাৰ বাবেই কেতিয়াবা তাই
বিশ্বাসক কুঠাৰাঘাত কৰাজনক
প্ৰত্যাহ্বান জনায়
বিবেক আৰু ন্যায্যপ্ৰাপ্তিৰ তুলাচনীত
সংস্কাৰৰ দগা ওপৰতে বৈ যায়
ভদ্ৰতাৰ মুখাধাৰীৰ সভ্য পোছাকযোৰ
আঁজুৰি খহাই পেলাবলৈ
তাইৰ শিৰৰ সেন্দূৰখিনিয়ে আজি

প্ৰতিবন্ধক হৈ থিয় নিদিয়ে
তাই ৰঙা মদাৰ হ'ব নোখোজে
হ'ব খোজে তাই এপাহ ৰঙা গোলাপ
য'ত থাকিব কেৱল
প্ৰেমৰ ৰং আৰু সুবাস।
প্ৰয়োজনত তাই হ'ব খোজে
শক্তিৰ প্ৰতীক
দশভুজা হৈ দানৱৰূপী মানৱবোৰৰ বিপক্ষে
প্ৰত্যাহ্বানৰ অস্ত্ৰ হৈ থিয় দিয়া
তাই এগৰাকী নাৰী
কেতিয়াবা তাই
আলসুৱা কন্যা
কেতিয়াবা মমতাময়ী মাতৃ
অথবা প্ৰেমময়ী পত্নী, প্ৰেয়সী
নাইবা আদৰুৱা ভগ্নী
আৰু প্ৰয়োজনত
হাতত অস্ত্ৰ তুলি লোৱা
অসুৰনাশিনী
তাই নাৰী
যাৰ অবিহনে স্থবিৰ হৈ যায়
পৃথিৱীৰ সমস্ত সৃষ্টি
সেয়ে, পিয়লাত থোৱা পানী
নাইবা
গছত বগোৱা লতা
তাইৰ সংজ্ঞা নহয়
পূৰ্ণতাৰে জীৱন কেনভাছ ৰঙীন কৰা
তাই আজিৰ নাৰী।

*(আন্তৰ্জাতিক নাৰী দিৱসৰ প্ৰাক্‌মুহূৰ্তত মনলৈ অহা ভাৱৰ বুৰবুৰণি)*

# সকলোৰে আছে সুখী হোৱাৰ অধিকাৰ

সকলোৰে আছে সুখী হোৱাৰ অধিকাৰ,
তোমাৰো, মোৰো।
তুমি দিবা, মই ল'ম,
মই দিম, তুমি ল'বা
এই বিনিময়েই হ'ল
তোমাৰ মোৰ মাজত হোৱা
এক অলিখিত চুক্তি।
তুমি যদি পুৰুষ
মই নাৰী
তোমাৰ ঔৰসত, মোৰ গৰ্ভত অংকুৰিত হয়
আমাৰ বংশৰ সোণগুটি।
সেয়ে হয়তো মোক কোৱা হয়
তোমাৰ অৰ্ধাংগিনী।
অৰ্ধাংগিনী মাথোঁ এটি শব্দ নহয়,
দেহৰ সিৰাই সিৰাই বৈ থকা
ই এক অনুপম উপলব্ধি।।
সেয়ে তুমি হাঁহিবা, ময়ো হাঁহিম
দুয়ো আঙুলিৰে দুয়োৰে
লোতক মচি দিম।
এনেদৰেই সঁচা অৰ্থত
দুয়ো দুয়োকে সুখী কৰিম!
কাৰণ,
সকলোৰে আছে সুখী হোৱাৰ অধিকাৰ
তোমাৰো, মোৰো।
তুমি যদি ৰজা
মই প্ৰজা

মোৰ অবিহনে তুমি যে এক
অন্তঃসাৰশূন্য সত্তা,
তোমাৰ শক্তিৰে তুমি কৰিব পাৰা মোক
নিষ্পেষিত, পদদলিত,
কিন্তু যিদিনাই মই অনাহাৰে
ক্ষুধাৰ সতে যুঁজিম,
সিদিনাই তুমি হৈ পৰিবা
এক জাতিস্মৰৰ সাধুকথা।
সন্তানৰ নোপোৱাৰ দাবী পূৰণ কৰিব নোৱাৰি
মই যেতিয়া কান্দিম
তোমাৰ সন্তানৰ পাই নোপোৱাৰ দাবী
পূৰণ কৰি কৰি
ভাগৰুৱা তোমাৰ মনে হয়তো
উচুপি উঠিব
পাৰ্থক্য মাথোঁ ইমানেই,
মোৰ চকুপানী তুমি দেখিও নেদেখিবা
আৰু মই?
তোমাৰ হাঁহিৰ আঁৰৰ বেদনাখিনি
বিচাৰি ফুৰিলেও নেদেখিম।
তাতকৈ আহাচোন
তুমিও হাঁহা, ময়ো হাঁহো।
কাৰণ, সকলোৰে আছে সুখী হোৱাৰ অধিকাৰ
তোমাৰো, মোৰো।
তুমি যদি মালিক
মই শ্ৰমিক
আমি এটা আনটোৰ পৰিপূৰক।
মোৰ তেজেৰেই তুমি নিৰ্মাণ কৰিছা
তোমাৰ ঐশ্বৰ্যৰ অতুলনীয় সৌধ,
মোৰ জীৱনক মূলধন হিচাপে লৈ
তোমাৰ জীৱনৰ মুনাফা নিবিচাৰিবা।

ৰক্ষকেই ভক্ষক হৈ
ইতিহাসৰ পাতত
পুনৰ এক বিপ্লৱৰ
সাক্ষ্য বহন নকৰিবা।
ক্ষমতাৰ আধিপত্যত
পাৰিবা জানো
মানৱতাৰ দৌৰত জয়ী হ'বলৈ?
যিদিনাই উপলব্ধি কৰিবা
আমাৰ দুয়োৰে তেজৰ ৰং ৰঙা
একাকাৰ নহ'বনে
মালিক শ্ৰমিকৰ বৈষম্যতা??
আহা,
তুমিও সুখেৰে ভাতমুঠি খোৱা
মোকো খাবলৈ দিয়া,
কাৰণ, সকলোৰে আছে সুখী হোৱাৰ অধিকাৰ
তোমাৰো, মোৰো।

হ'ব পাৰা তুমি পুৰুষ
মই নাৰী
কিম্বা তুমি ৰজা
মই প্ৰজা
অথবা তুমি মালিক
মই শ্ৰমিক
কিন্তু, মানৱতাৰ অপমান কৰাৰ অধিকাৰ
আছে জানো আমাৰ???
মাথোঁ,
সকলোৰে আছে সুখী হোৱাৰ অধিকাৰ
দেহেৰে, মনেৰে,
হৃদয়ৰ সমস্ত সুন্দৰতাৰে।

# সেন্দূৰৰঙী এটি গীত

তেওঁ মোক কৈছিল
আজি নতুন গান এটি গোৱা
সময়ে দেও দি ৰূপালী কৰা
একুৰি পাঁচটা বছৰ
এটা গানেই গাবলৈ শিকিলো
মই ক'লো...
পুৱা গোসাঁই ঘৰত চাকিগছি জ্বলাই গোৱা
সেই গানৰ ৰং ৰঙা
যিমান পাৰি দীঘলীয়া সুৰেৰে গোৱা
সেই গানতেই থাকে
আপোনৰো আপোনজনৰ
আয়ুসৰ ৰেখা।
আয়তীৰ উৰুলি
মংগলধ্বনিৰ মাজত
আয়ে মোক শিকোৱা গীতটি হেনো
কেৱল মোৰ কণ্ঠতহে
সুৰীয়া হৈ পৰে।
প্ৰত্যেক নাৰীৰে থকাৰ দৰে
মোৰো এটি সুৰীয়া গীত আছে
সেন্দূৰৰঙী সেই গীতত
মোৰ স্বাভিমান লুকাই আছে।

*(বিবাহৰ ৰূপালী জয়ন্তী উপলক্ষে লিখা)*

# হেৰোৱা সপোনৰ আঁত বিচাৰি

বহুদিন সেই সপোনটো দেখা নাই
নাৰিকলবস্তিৰ পাৰ্কৰ ঝুলনাখনত
তুমি ঝুলাই দিয়া।
আজিকালি তোমাৰ স্কুটাৰখনেও
মোক আগত থিয় হৈ যাবলৈ নিদিয়ে
সেয়ে পিছফালৰ পৰা অহা বতাহজাকত
মই তুমি তুমি লগা গোন্ধটো নাপাওঁ।
Cadbury 5 star bar
A gift for someone you love
মনতে ভাবোঁ,
আজিকালি তুমি মোক ভাল নোপোৱা নেকি?
ৰঙা ফুটফুটীয়া চোলাবোৰ
বগা, গুলপীয়া জোতাবোৰ,
মই তোমাৰ লগত নোযোৱাকৈয়েচোন
ঘৰ ভৰি আছিল,
এতিয়া?
মোৰ জোখবোৰ নজনাৰ বাবেই
যেতিয়াই তেতিয়াই ঘৰলৈ বস্তুবোৰ নহা হ'ল।
Maths, Physicsৰ শিক্ষক সলনি হ'ল
"ঘৰৰ গৰুৱে হেনো বাৰীৰ ঘাঁহ নাখায়"
হাঁহিহে উঠে,
সকলোবোৰ মাথোঁ অজুহাত
কাৰণ,
মই ডাঙৰ হ'লো
বুজিও পালো
মোৰ নিজৰ দায়িত্ব।

আৰু বুজিলো
সকলো ব্যস্ত।
বয়স আৰু ব্যস্ততাই
চেনেহ আৰু দায়িত্বক পৃথক কৰিলে
বুজিলো,
দায়িত্ব চকুৰে দেখি।
চেনেহবোৰ কেতিয়াবা
বুকুতে ৰৈ যায়,
কাৰণ,
মোক লৈ তুমি দেখা সপোনৰ বাবেই হয়তো
তোমাৰ সময়বোৰ তোমাৰ,
আৰু মই?
তোমাৰ সপোন পূৰণৰ বাবেই
মোৰ সময়বোৰ
কেৱল মোৰ বুলি ভাবিবলৈ ল'লোঁ।
তুমি ব্যস্ত দায়িত্ব পালনত
মই ব্যস্ত আশা পূৰণত,
এতিয়াও তোমাৰ বাইকৰ পিছফালে বহি যাওঁতে
দিতা দিতা লগা সেই চিনাকি গোন্ধটো পাওঁ
ভাবো, গোন্ধটো একেই আছে
মইহে সলনি হ'লো,
হ'ব দিয়া দিতা,
তুমি অনা প্ৰতিটো খোৱা বস্তুতেই
Cadburyৰ সোৱাদ বিচাৰিম
আৰু
পাৰ্কৰ ঝুলনাখনত তুমি ঝুলাই দিয়া
সপোনটো আজীৱন দেখিম।

*(মোৰ ছোৱালীয়ে কেতিয়াবা মোৰ আগত কোৱা কথা। তাইৰ মনৰ ভাৱখিনি প্ৰকাশ কৰিলোঁ)*

# ৰাধা হ'ব নোখোজো মই

*কৃষ্ণৰ স'তে দুগৰাকী নাৰী অংগাংগীভাৱে জড়িত হৈ আছে, এগৰাকী ৰাধা, আনগৰাকী ৰাজস্থানৰ মীৰাবাঈ। কৃষ্ণপ্ৰাণগতা ৰাধাৰ স'তে কৃষ্ণৰ অলেখ কাহিনী পোৱা যায়, কবিয়েও ৰাধা-কৃষ্ণৰ প্ৰেম কাহিনীৰে কাব্যজগত ওপচাই দিছে। কিন্তু মীৰাবাঈৰ দৰে ঐতিহাসিক নাৰী এগৰাকী, যিগৰাকী কৃষ্ণভক্তি কাব্যধাৰাৰ মুখ্য কবি আছিল, কৃষ্ণৰ প্ৰতি থকা আকুল প্ৰেম আৰু আত্মনিবেদনে যাক মহীয়সী কবি তুলিছিল, সেইগৰাকী মীৰা যেন 'কাব্যে উপেক্ষিতা'। শেহতীয়াকৈ অৱশ্যে দুই-এজন কবিৰ কাপেৰে মীৰাৰ জীৱনগাথা অন্তস্পৰ্শী হৈ প্ৰকাশ পাইছে। ময়ো মীৰাক যিদৰে বুজি পাইছো, তাকে লিখিত ৰূপত প্ৰকাশ কৰিছিলো আজিৰ পৰা দুবছৰ পূৰ্বে এনেদৰে—*

শ্যাম,
তোমাৰ বাঁহীৰ সুৰত বাউলী হওঁ মই
ঠিক ৰাধাৰ দৰে
লৰৰি যাব খুজিও
থমকি ৰওঁ মই।
নোৱাৰো,
নোৱাৰো মই যাব তোমাৰ কাষলৈ
বাঁহীৰ সুৰে সুৰে উতলা হ'ব খোজে
আকলুৱা চিত মোৰ,
মনক বান্ধি ৰখা শিকলিডাল
খামুচি ধৰোঁ মই
নাইনাই

শিথিল হ'ব দিব নোৱাৰি এই
মনৰ শিকলি
শ্যাম,
অকপটে কৰোঁ আজি এই স্বীকাৰোক্তি
ভালপাওঁ তোমাক।
কিন্তু শ্যাম,
নহওঁ মই তোমাৰ প্ৰেম প্ৰয়াসী
মই যে কেৱল তোমাৰ
দৰশন প্ৰয়াসী
মানসপটত সঘনে ডোলা দি যোৱা
তোমাৰ মোহন ছবিটি
বৈধ-অবৈধৰ আলিদোমোজাত বৈ যেন
কাহানিও পেলাবলগীয়া নহয় মোহাৰি
সেয়ে বিষকে অমৃত বুলি পান কৰোঁ মই
মইতো নহয় ৰাধা
মীৰা হৈয়েই থাকিবলৈ দিয়া
শ্যাম,
বজাবা মোহন বাঁহীত প্ৰেমৰ ৰাগিণী
সুৰে সুৰে বৈ যাব প্ৰেম মন্দাকিনী
নীৰৱে সাঁতুৰিম তাত
সেয়া যে মোৰ চিৰপ্ৰৱহমান
মন মন্দাকিনী
অপ্ৰতিদ্বন্দ্বী সেৱিকা মই
নীৰৱ পূজাৰী।
শ্যাম, খুব ভাল পাওঁ তোমাক
কিন্তু এই ভালপোৱাৰ যে কোনো
হেতু নাই।

স্বাৰ্থ, বাসনাশূন্য এক
অহৈতুকী প্ৰেম মোৰ
তোমাৰ বাবে...
মনেৰে বহুবাৰ চুই চাইছো তোমাক,
সেয়ে মই কওঁ
দেহজ প্ৰেমৰ উৰ্দ্ধত মোৰ এই প্ৰেম।
যেতিয়া তোমাৰ বাঁহীৰ সুৰত
একাকাৰ হৈ যায় মোৰ আত্মা,
প্ৰাপ্তিৰ আৱেশত ভৰি উঠে মোৰ হিয়া
মুদ খাই যোৱা দুচকুলৈ বৈ আহে
তৃপ্তিৰ বন্যা
আস্
কি যে এক গভীৰ প্ৰশান্তি!
এয়া যে মোৰ বাবে 'ব্ৰহ্মাস্বাদসহোদৰ'
সেয়ে
বাধা হ'ব নোখোজো মই
মোক মীৰা হৈয়েই থাকিবলৈ দিয়া
মোক মীৰা হৈয়েই থাকিবলৈ দিয়া।

# য'তেই আছ শান্তিত থাক

মা,
মই যাওঁগে দেই,
বৰ সোনকালে মাতযাৰ লগালি যে তই!
চকুৰে নমনা হোৱালৈকে
তোকেই চাই ৰ'লো
দেউতাৰৰ নীলা চোলাটোৰে
তোক বৰ শুৱাইছে অ'
শুৱাবইতো,
তই যে এতিয়া চফল ডেকা
চকুত তোৰ অযুত আশা।
'বৰ মানুহ' নহ'লেও নাই
'মানুহ' হ মোৰ সোণাই।
অস!
মোৰো বৰ ভ্ৰম হয় দেখোন আজিকালি
তই দেখোন নায়েই
এৰৈশটা বছৰ আগতে
আজিৰ দিনটোতে
দিনটিয়াকৈ আহি গুচিও গ'লি।

বহুদিন হ'ল তোক দেখা নাই
নেদেখাকৈয়ে মোৰ মন পথাৰত
তই দৌৰি ঢাপলি
কতবাৰ পৰিলি
কতবাৰ উঠিলি,
পিঠিত বেগ লৈ স্কুললৈকো গ'লি,
তোৰ সমনীয়াবোৰে আহি মোক কয়হি
তই হেনো খুব ভাল ক্ৰিকেট খেল,
মনতে ভাবো খেলিবইতো
বাপেকৰহে পুতেক,
আজি
প্ৰতিবছৰৰ দৰে আহি
হাত জোকাৰি জোকাৰি মোৰ পৰা বিদায় ল'লি
ক'লৈ ? কলেজলৈ যাব নে বাছা ?
ওহো নহয় মা
নুসুধিবি সদায়
যাঁগে বাছা,
য'তেই থাক শান্তিত থাকিবি
আমাৰ পৃথিৱীত এতিয়া বৰ অশান্তি
বৰ অশান্তি...

*(মোৰ প্ৰথম সন্তানক হেৰুওৱাৰ দিন, ২১ জানুৱাৰী, ২০০২, তাৰ সোঁৱৰণত)*

# আশা

গোৱা নাই বুলিয়ে
পাহৰা নাই মই গীতৰ সুৰ,
লিখা নাই বুলিয়ে
হেৰোৱা নাই মোৰ শব্দবোৰ,
কোৱা নাই বুলিয়ে
নোকোৱাকৈ নাথাকো কৈ অহা কথাবোৰ
যিদিনাই ৰাতি পুৱাব
বাখৰুৱা শব্দবোৰে
গুণগুণাই তোমাক ক'ব
মোক তুমি এটি সুৰ কৰি তোলা
সাত ৰহণৰ ৰামধেনু হৈ
মোৰ মনাকাশ বুলোৱা
এমুঠি আশাৰ জোনাক তুমি হৈ
মন পদূলিত সৰা।

# আত্মানুসন্ধান

বিচাৰিছিলো,
কোনোবাই মোক
জীৱনৰ খেলা খেলিবলৈ শিকাওক।
বিচাৰিছিলো,
কোনোবাই মোক
জীৱনৰ হাঁহি হাঁহিবলৈ শিকাওক।
বিচাৰিছিলো,
কোনোবাই মোক
জীৱনৰ বাট বুলিবলৈ শিকাওক।
বিচাৰিছিলো,
কোনোবাই মোক
জীৱনক ভাল পাবলৈ শিকাওক।
বিচাৰিছিলো,
কোনোবাই মোক
হাঁহিৰ আঁৰৰ বেদনা লুকুৱাবলৈ শিকাওক।
বিচৰাৰ অন্তত
বিচাৰি পালো
সুদীৰ্ঘ দিন মই
মোকেই বিচাৰি হাবাথুৰি খালোঁ।

# এটা সপোনৰ মৃত্যু

জীৱনৰ দোকমোকালিতে
তাই এটা সপোন দেখিছিল
এপাহ ফুল হৈ ফুলাৰ।
শৈশৱত কলিয়াবলৈ ধৰা ফুলপাহ
যৌৱনৰ প্ৰখৰ ৰ'দত
পূৰ্ণ প্ৰস্ফুটিত হৈ উজলি উঠিল
ক'ত যে ভোমোৰা
মধুপানৰ আশাত
ব্যাকুল হৈ পৰিল দেহি ঐ,
তাই নিজকে আঁতৰাই ৰাখিলে
ভোমোৰাবোৰৰ পৰা
অতি কৌশলেৰে।
তৃষ্ণাতুৰ ভোমোৰা
এসাগৰ ক্ষোভ লৈ আঁতৰি গ'ল।
তাই অক্ষত হৈ ৰ'ল
ঠিক পূজাৰ বেদীলৈ আগবঢ়োৱা
এপাহ অনাঘ্ৰাত ফুলৰ দৰেই
হঠাৎ এক সুন্দৰ মালীৰ আপদালত
তাইৰ হাঁহিত লাজ সৰিল
কোমল বুকুখনিত থূপ খাই থকা মৰমবোৰ
মালীৰ চেনেহৰ পৰশত
পাপৰিয়ে পাপৰিয়ে বিৰিঙি উঠিল।

মালীয়ে ক'লে,
দুয়ো এটি গান গাওঁ আহা
জীৱনৰ গান
হোমৰ অগ্নিয়ে যি গানত বোৱাব
প্ৰেমৰ অনুৰাগ
মালীৰ নিৰ্ভয় আশ্ৰয়ত
তাই টোপনিত লালকাল হৈ পৰিল
কিন্তু হঠাৎ,
তাইৰ টোপনি ভাগিল
তেতিয়া যে মালী
আন ফুলৰ আপদালত ব্যস্ত
অযত্ন পালিতা, উপেক্ষিতা
তাইৰ মৰহা পাপৰি
এটি এটিকৈ সৰি পৰিল
জীৱন কবিতাৰ ছন্দ
অমিল হ'ল
জীৱন গীতৰ সুৰ
বেসুৰ হ'ল
হায়!
প্ৰতিশ্ৰুতি মাথোঁ এটি
শব্দ হৈ ৰ'ল
হোমাগ্নি চিতাগ্নি হ'ল
আৰু এটি সপোনৰ
অকাল মৃত্যু হ'ল।

*(কালি গধূলি মোৰ শৈশৱৰ বান্ধৱী এজনীৰ জীৱনৰ করুণগাঁথা শুনাৰ পিছত মোৰ মনলৈ অহা ভাবখিনি লিপিবদ্ধ কৰিলোঁ এনেদৰে, ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা যাতে কাৰো সপোনৰ এনেদৰে মৃত্যু নহয়)*

# মহামাৰী, মুখা আৰু মনুষ্যত্ব

সকলো দুৱাৰ ৰুদ্ধ,
হৃদয় দুৱাৰত,
নিকপকপীয়া তলাবন্ধ
স্পৰ্শানুভূতিৰ সুখ
কল্পনাতীত।
কবিৰ কল্পনাৰ ‘আইতাৰ জধলা চুমা’ও
আজি কিংবদন্তি
মুখাৰ আঁৰত থকা মুখবোৰে
হাঁহিলেও ধৰিব নোৱাৰি
যিদৰে
সুন্দৰ মুখৰ আঁৰৰ ক’লা মনবোৰত
কিলবিলাই থকা পোকবোৰে,
দংশন নকৰালৈকে
বিষাক্ত বুলি চিনিবই নোৱাৰি।
এৰা,
মহামাৰীয়ে আজি
মুখা পিন্ধাইছে
সকলোৱে দেখিছে
এয়াই যেন স্বাভাৱিক।

কিন্তু
আৰু এখন মুখা আছে
কোনেও নেদেখে
সেইখন মুখাৰ আঁৰত
প্ৰকৃত মুখখন লৈ
মনুষ্যত্বক হত্যা কৰি অহা হৈছে
সময়ে সময়ে,
তেতিয়াই যেন প্ৰতিধ্বনিত হয়
কালজয়ী গীতৰ সেই বাণী,
'মানুহ যদি মানুহৰেই
হয় অন্তৰায়
তেনে দূৰতে থাওক খ্যাতি আৰু
মিছা ব্যৱসায়'

# এয়াতো নহয় অহাৰ সময়

ওৰেতো ৰাতি
হৃদয়ত গোট মাৰি বৰফ হোৱা
বেদনাৰ টুকুৰাবোৰ
মোৰ চকুৰ পতাত গলিছিল।
দিনৰ পোহৰত
ঘড়ীৰ কাঁটাৰ সতে
মোৰ উশাহ-নিশাহৰ নিবিড়তাই
বৰ্ষাসিক্ত নয়নত ক'লা মেঘৰ কাজল
ধৰা পৰাৰ অৱকাশ ৰখা নাছিল।
যন্ত্ৰৱৎ ঘূৰি আছিল
মোৰ জীৱন ৰথৰ চকৰি,
লৰা-ঢপৰা
পাঞ্চিং মেচিন
এৰিষ্টট'লৰ ট্ৰেজেডীৰ সংজ্ঞা
আধুনিকতাবাদ,
ক্ষন্তেক উশাহৰ লগত কেণ্টিনৰ চাহকাপ
আকৌ,
ডুবি যাওঁ পাৰ্ছনেল প্ৰফাইল
পাছ পাৰ্চেণ্টেজ
ড্ৰপ আউট,

হঠাৎ
'য়ে তেৰা ঘৰ য়ে মেৰা ঘৰ
য়ে ঘৰ বহত হচীন হ্যেয়'
নিস্তব্ধতা ভংগ কৰি
বাজি উঠা ৰিংটোনত
মোৰ দুচকুত বাউলী ফাগুন নামিছিল
অপ্ৰত্যাশিত ক্ষণটো আদৰি লোৱাৰ মুহূৰ্তত
হৃদয় বীণাৰ তাঁৰত ঝংকাৰ তুলিছিল
প্ৰিয়তম সেই গীতৰ সুৰে
'এয়াতো নহয় অহাৰ সময়'
আবতৰীয়া ফল্গুৎসৱৰ
আবিৰৰ ৰঙেৰে মই বাঙলী হৈ পৰিছিলো
এপলকৰ বাবে।

# জীৱনৰ ক'লা-বগা ৰং

সৰাফুল এপাহি হাততে লৈ
ভাবিছো সময়ো নাথাকে বৈ
সময়ে জীৱনৰ পৰা মাথোঁ
বিয়োগ কৰি যায়
দিন-মাহ-বছৰ।
জীৱনৰ ভৰ দুপৰীয়া
উচ্ছ্বাসৰ ৰ'দে পোৱা মনত আজি
শান্ত-স্নিগ্ধ তৰাৰ তৰাৱলী,
বহুদূৰ বাট বুলি আহি
সুঠাম গছৰ বুকুত আশ্ৰয় বিচাৰি
দেহাটি সঁপি দিয়াৰ মুহূৰ্তত
নাভাবো বুলিও ভাবিবলৈ বাধ্য হওঁ
ভাগৰুৱা, মই ভাগৰুৱা,
তথাপি হিয়াৰ পলসুৱা মাটিত
নিতৌ আশাৰ বীজ সিঁচো
মৰমেৰে গঢ় দিয়া হিয়াৰ ভেটিত
হেঁপাহেৰে চেনেহৰ পঁজাটি সাজো।
দুখৰ ডাৱৰ ঠেলি
সুখৰ দলিচা পাৰি
ক'লা-বগা স্মৃতিবোৰ
আঁজুৰি আনো।

কি পালো, কি হেৰুৱালো
হিচাপৰ তুলাচনীত নোতোলো
মাথোঁ
বিয়োগ হোৱা জীৱনৰ
দিন-মাহ-বছৰৰ স'তে
তোমাৰ-মোৰ-আমাৰ
বিশ্বাস-আশ্বাস
প্ৰেম-ভালপোৱা
দয়া-ক্ষমা
মান-সন্মান
সৰলতা
আৰু অকৃত্ৰিমতাক
যোগ কৰি যাব খোজো
জীৱন অংকৰ উত্তৰ
শূন্য পোৱাৰ দিনলৈকে।

# জীৱনৰ বেলি লহিয়াইছে

জীৱনৰ বেলি লহিয়াইছে
লহিয়াওক দিয়া
এতিয়া,
তোমাৰ নিৰ্মলতা,
স্বচ্ছতাৰ বাৰিধাৰাত
গংগাস্নান কৰি
মোক সেই সঞ্জীৱনী সুধা
পান কৰিবলৈ দিয়া
আকণ্ঠ...
জীৱনৰ দুপৰীয়া
তোমাৰ তাপত
মোৰ গা পুৰিছিল।
লগা-নলগাৰ
হিচাপ-নিকাচ
পোৱা-নোপোৱাৰ
কামনা-বাসনাৰ
স্তূপীকৃত পাহাৰ।

আজি আমি
পুৰতিৰ কোমল ৰ'দালি
বৰ কোমল তোমাৰ তাপ
তাতোকৈ শীতল মোৰ
মান-অভিমান
পোৱা-নোপোৱাৰ হিচাপ
ক্ৰোধ-ক্ষোভৰ আবদাৰ।
আজি তোমাতেই পাওঁ মাথোঁ
ল'ৰালিৰ সেউজ সজীৱ অকৃত্ৰিমতা,
অহৈতুক প্ৰেমৰ এখনি
নিভাঁজ হিয়া।
য'ত প্ৰতি নিয়ত ফুলে একোপাহ ৰক্তজবা।

# জীৱন কেনভাছত এচিকুট সুখৰ ৰং

আবতৰীয়া এজাক বৰষুণ
ঠেহ্ পতা মনটোৱে
বাৰে বাৰে সোধে
"ভিজিবা জানো বৰষুণ জাকত ?"
কলিজালৈকে সী পেলোৱা
বিষ লগোৱা কাঁড়পাটেও
সোঁৱৰাই দিয়ে
ছিটিকনিবোৰ পৰিব নিদিবা
তোমাৰ দেহত।
এয়া যে
আবতৰীয়া বৰষুণ।
অসময়কো সময় বুলি ধৰি
শূন্যতাত হাত থৈ
চুই চাব খুজিছিলো
তোমাৰ হিয়া,
সেউজীয়া স্মৃতিৰ দলিচাত
হালধীয়া হৈ সৰা
মোৰ মৰম শেৱালিয়ে
সুগন্ধি বিয়পাবলৈ কৰিলে
অহৰহ প্ৰচেষ্টা
তোমাৰ হৃদয় কোঠাত।

কবিতা কবিতা খেলাৰ পৰত
ছেগ চাই কৈছিলা এদিন,
"দুয়ো এটা কবিতা লিখো আহা
জীৱনৰ কবিতা"
কবিতা লিখা হ'ল
জীৱন সুৰীয়া হ'ল
জীৱন কেনভাছ
এধানি সুখৰ ছিটিকনিতেই
ৰঙীন ৰঙীন হ'ল।
প্ৰতি উশাহ ছন্দোময় হ'ল
প্ৰতি নিশাহ অমৃতময় হ'ল
প্ৰতি পল
প্ৰতি অনুপল
মধুময় মধুময় হ'ল।

# এটা ৰূপালী গান

এটা গান,
সুৰে সুৰে ঠেকা খাই
সোমাই পৰিছিল
কাহানিও গুঞ্জৰিত নোহোৱা
এখনি বীণাৰ বুকুত।
সুৰৰ চেনেহৰ পৰশত
সাৰ পাই উঠিছিল
বীণাৰ বুকুত নীৰৱে শুই থকা
মৰম আকলুৱা
তাঁৰকেইডাল।
সুৰৰ ৰাগীত
বাউলী বীণা,
সুৰ-বীণাৰ যুগলবন্দীত
বাজি উঠিছিল এটি
চিৰযুগমীয়া তাল।

আজি,
মিলনৰ ৰূপালী বসন্ত গৰকা
বীণাৰ বুকুত
সুৰৰ ৰূপালী গীত
প্ৰতিধ্বনিত হৈছে।
অনাগত দিনত
আজিৰ ৰূপালী সুৰে
সোণালী গীত ৰচিব
তাৰ স'তে,
তালে সোণালী ছন্দ মিলাব
জীৱন স্বৰ্ণিল হৈ পৰিব
প্ৰতি উশাহ
ছন্দোময় হৈ উঠিব,
(এয়ে আমাৰ শুভকামনা)

*(বিঃ দ্ৰঃ আমাৰ সৰু দাদা-বৌ (ৰূপক আৰু আল্পনা) ২৫ বছৰীয়া বিবাহ বাৰ্ষিকী উপলক্ষে লিখা)*

# দেৱযানী

'চন্দ্ৰালয়'ত এগছি প্ৰদীপ জ্বলিছিল
কঁপি কঁপি জ্বলি উঠা সেই প্ৰদীপ শিখাই
চন্দ্ৰালয়ৰ দশোদিশ আলোকিত কৰিছিল।
হঠাৎ এদিন,
কঁপি কঁপি,
কঁপি কঁপি,
প্ৰদীপ শিখা
নুমাই থাকিল! (২৭ অক্টোবৰ, ২০১১)
চন্দ্ৰালয়ত আঁউসীৰ এন্ধাৰ নামিল।
চন্দ্ৰালয়ৰ পদূলিত
এজুপি শেৱালি ফুলিছিল
তলসৰা শেৱালিৰ সুবাসে
এমুঠি আশাৰ জোনাক
কঢ়িয়াই আনিছিল।
হঠাৎ
শেৱালি জুপি মৰহি গ'ল (২৭ অক্টোবৰ, ২০১১)
চন্দ্ৰালয়ত তাৰ সুবাস
আজিও বৈ গ'ল।
চন্দ্ৰালয়ৰ বুকুৰেদি
এটি নিজৰা বৈ গৈছিল
নিৰ্মল, স্বচ্ছ সেই মৰম নিজৰাত
কতজনে, কতবাৰ যে
সাঁতুৰি-নাদুৰি

মৰম তৃষ্ণা দূৰ কৰিছিল
আজি তাৰ
হিচাপ-নিকাচৰ সময়।
কাৰণ,
নিজবাটি যে শুকাই গ'ল (২৭ অক্টোবৰ, ২০১১)
পিছে নিজবাটিৰ
কুলু কুলু মৰম-ধ্বনি
আজিও মুখৰিত হৈ আছে
চন্দ্ৰালয়ৰ চৌদিশে
চৌপাশে,
প্ৰদীপ গছি নুমাই গ'ল
তাৰ পোহৰৰ আৱেশ ৰৈ গ'ল
শেৱালি জুপি মৰহি গ'ল
তাৰ সুবাস আজিও ৰৈ গ'ল
নিজবাটিও শুকাই গ'ল
পিছে তাৰ মৰম গীতৰ সুৰ দেখোন
আজিও হৃদয় বীণাত বাজি ৰ'ল।
সেই পোহৰত
সেই সুবাসত
সেই মৰমৰ গুঞ্জনত
আমি জানো তোমাক
বিচাৰি নাপাম
দেৱযানী??

*(ভণ্টি বাইদেউৰ স্মৃতিত)*

# প্ৰতিটো দিন প্ৰেমৰ দিন

বহু কথা কোৱা হ'ল,
বহু কথা শুনাও হ'ল।
কথাবোৰ গীত হ'ল,
গীতবোৰ গোৱাও হ'ল।
সৰলৰেখা ছবি হ'ল,
ছবিয়ে কথা কোৱাও হ'ল।
অনুভূতি কবিতা হ'ল,
কবিতা সহৃদয় হৃদয়সংবাদীও হ'ল।
ছেকেণ্ড, মিনিট, ঘণ্টা
দিন-মাহ-বছৰ
পলকতে পাৰ হ'ল।
একেই প্ৰভাতী সম্ভাষণ,
একেই নিশাৰ আলিংগন।
ব্যস্ততা, ব্যস্ততা
কেৱল ব্যস্ততা,
ঘড়ীৰ কাঁটাৰ নিৰ্দেশত চলা
আমাৰ জীৱন।
তাৰ মাজতো,
মা, বৰ জাৰ পৰিছে
ঠাণ্ডা নলগাবা।
বাচা, আৰু পঢ়িব নালাগে
অকণ জিৰণি লোৱা।

ঐ সখী,
মনত পৰিয়েই থাকে অ' তোলৈ
কুশলে থাক।
দাদা, স্বাস্থ্যৰ যত্ন ল'বি।
বাইদেউ,
তোক কালি বৰ ধুনীয়া দেখিলো
সদায় এনেকৈ থাকিবি।
দেউতা, য'তেই আছা
শান্তিত থাকা।
অ', পিতাক ঔষধ পালি
দিয়া হ'লনে?
ইমান ব্যস্ত নে এওঁ?
কিবা খালে নে নাই জানো?
এনেদৰেই
প্ৰতিপলে
প্ৰতিক্ষণে
মনে যে বিচাৰে
বহুজনক, আপোনজনক।
চাব যে খোজে কেৱল
হাঁহিৰে উজলি থকা
সজীৱ, সতেজ মুখবোৰ।

এয়া তেনে কি?
এয়া যদি প্ৰেম নহয়
প্ৰেমৰ সংজ্ঞাইবা কি?
এযাৰি মৰমৰ মাতত
প্ৰতিদিনেই চোন হৃদয়ত ফুলে
একোপাহি ৰঙা গোলাপ
হৃদয়ে হৃদয়ে বিয়পি পৰে
প্ৰতিপাহ্ গোলাপৰ
মায়াৱী সুবাস।
এয়াই যদি প্ৰেম
তেনে কবিয়ে কোৱাৰ দৰে
প্ৰেমতেই ঘূৰক ভূমণ্ডল
প্ৰেমতেই ফুলক শতদল!
উদযাপিত হওক
প্ৰতিপল
প্ৰতিক্ষণ
হৈ প্ৰেমৰ দিৱস।

# একেটি জীৱন একেটি গান

হৃদয়ত যেতিয়া চেঁচা লাগে
তোমাৰ আৱেগৰ উমত
মোৰ হেঁপাহবোৰ
বৰফ গলাদি গলে।
হৃদয়ত যেতিয়া বতাহ বলে
মোৰ মন বাগিচাত পোখা মেলা
তোমাৰ দেহ সুবাসেৰে
ঠন ধৰি উঠা শেৱালিজুপি
আগলতি কলপাত কঁপাদি কঁপে
হৃদয় যেতিয়া বৰষুণে তিয়াই দিয়ে
তোমাৰ মৰম গংগা
মোৰ মন যমুনাত মিলিত হৈ
প্ৰেম প্ৰয়াগ বোৱাই নিয়ে।
এতিয়া,
তোমাৰ মোৰ হেঁপাহবোৰে
প্ৰেম প্ৰয়াগৰ পাৰত স্নান কৰি
পূৰ্ণতাৰ পাত্ৰ
আজলি পাতি লৈছে।
আস,
কি গভীৰ প্ৰশান্তি!
প্ৰয়োজন নাই আজি
হাতত হাত থোৱাৰ, ওঁঠত ওঠ মিলোৱাৰ,
প্ৰয়োজন আজি মাথোঁ
একেখনি জীৱন বীণাত
একেটি মাথোঁ সুৰ তোলা।
একেডালি সূতাতেই
দুটি প্ৰাণ এটি হৈ
অৱশেষ জীৱনৰ
মালিতা ৰচা।

# শেষ উশাহলৈকে মোৰ হৃদয়ত থাকিবি

জীৱনৰ দোকমোকালিত
আইৰ বুকুৰ উমে
তপতাই ৰাখিলে মোৰ দেহা
জীৱনৰ মধ্যাহ্নত
সোঁৱে-বাঁৱে, দীঘে-পথালিয়ে
তয়েইচোন বুৰাই ৰাখিলি
এসাগৰ মৰমত
মোৰ মৰম আকলুৱা হিয়া
হাঁহিছিলো, হাঁহিছিলি।
কান্দিছিলো,
উচুপি উচুপি মোৰ চকুলো
মচি
তই আঁতৰি গৈছিলি,
জানিছিলো,
তই উভতি আহিবি।
সদায়ে আহ তই।
পিছে এইবাৰচোন তই নাহিলি
কাৰ ওপৰত অভিমান কৰি
যাওঁ বুলিয়েই গুচি গ'লি
তাকো নজনালি,
জীৱনৰ অপৰাহ্নত
একেলগে বেলি ডুবা চাম বুলি খোৱা শপতো নাৰাখিলি,
মোৰ হৃদয়ত
বাৰুকৈয়ে বান্ধ খাইছ সখী
শেষ উশাহলৈকে হৃদয়ত থাকিবি

*(এগৰাকী বান্ধৱীৰ স্মৃতিত)*

## প্ৰেম

**মূল ঃ তচলিমা নাচৰিন**

যদি মই দুচকুত কাজল সানিব লাগে তোমাৰ বাবে
চুলিয়ে-মুখে ৰং সানিব লাগে
গাত সুগন্ধি ছটিয়াব লাগে
সবাতোকৈ ভাল সাজযোৰ যদি পিন্ধিবলগীয়া হয়,
কেৱল তোমাৰ বাবেই যদি
খাৰুমণি পিন্ধি
নিজকে সজাবলগীয়া হয়
তলপেটৰ মেদ
ডিঙিৰ বা চকুৰ কাষৰ বলিৰেখা
বিশেষ কৌশলেৰে
লুকুৱাবলগীয়া হয়
তেনে,
তোমাৰ স'তে
প্ৰেম নহয় মোৰ
প্ৰেম হ'লে,

মোৰ যি কিছু খেলিমেলি
যি বা এটা দুটা খুঁত
যি দুই এক
ভুল-ভাল
অসুন্দৰ, থাওক
সমুখত থিয় দিম
তুমি প্ৰাণভৰি ভাল পাবা,
কোনে কয়?
প্ৰেম খুব সহজ
বিচাৰিলেই হৈ যায়,
কত যে পুৰুষ দেখিলো
কেউদিশে,
ক'তা?
প্ৰেমিকতো নেদেখিলো।

# মুখা খুলিবৰ সময় হ'ল

এটা ক্ষুধাতুৰ বাঘক
তুমি, মই
সকলোৱে ভয় কৰোঁ
কাৰণ,
মুখৰ আগত পৰিলে
সি তাৰ ধৰ্ম ৰক্ষা কৰিব
এয়া স্বাভাৱিক।
এডাল সাপক
তুমি মই বা
আন কোনোবাই
ভয় কৰিবও পাৰোঁ
নকৰিলেও নাই
কাৰণ,
অপকাৰ নকৰিলে
সি নিজৰ বাটে
বাট পোনাব
নাইবা কেতিয়াবা
মেৰিয়াই ধৰিব,
কিন্তু,
মই ভয় কৰো,
মই ভয় কৰো সেইগৰাকী নাৰীক,
যি যৌতুকৰ এলান্ধুৰে

নিজক পোত খুৱাই
আন এগৰাকী নাৰীক
দিয়ে জ্বলায়।
মই ভয় কৰোঁ
সেইগৰাকী নাৰীক
যিয়ে আনৰ সেন্দূৰৰ স'তে
খেলা খেলি
নিজৰ মনোৰঞ্জনৰ
খোৰাক যোগায়।
মই ভয় কৰোঁ
সেইগৰাকী নাৰীক
যিয়ে কন্যা সন্তান
জন্ম দিয়াৰ বাবে
আন এগৰাকী নাৰীক
অপৰাধী সজায়।
মই ভয় কৰোঁ
সেইগৰাকী নাৰীক
যিয়ে ফুলকুমলীয়া
কিশোৰী-তৰুণীৰ
কেঁচা মঙহৰ
বেপাৰ চলায়।
মই ভয় কৰোঁ...
ওহো, ভয় নহয়
পুতৌ কৰোঁ মই
এইসকল নাৰীক।
নাৰী সবলীকৰণৰ শ্লোগান দিয়া
এইসকল নাৰীৰ
মুখাৰ আঁৰৰ মুখে সোঁৰৱায়

আদিম, বর্বৰ সমাজৰ
কলংকিত ইতিহাস,
যৌতুকৰ বাবে
ভিক্ষাৰীৰ দৰে
হাত পাতিবৰ পৰত
ক'লৈ যায় সেই নাৰীৰ
আভিজাত্যৰ গৌৰৱ?
পৰপুৰুষক বিষাক্ত সাপৰ দৰে
মেৰিয়াই ধৰি
সোণৰ সংসাৰ
পুৰি ছাৰখাৰ কৰাৰ পৰত
ক'লৈ যায় সেই নাৰীৰ
সংস্কাৰৰ গৌৰৱ?
নিজৰ কন্যাসম ছোৱালীজনীক
খৰিদ্দাৰৰ হাতত
তুলি দিয়াৰ পৰত
ক'ত লুকুৱাই থয় সেই নাৰীয়ে
মমতাময়ী মাতৃৰ মুখাখন?
হেৰা আভিজাত্যৰ মুখাপিন্ধা নাৰী,
মুখা খুলিবৰ সময় হ'ল
সাজে-পাৰে তোমালোক আধুনিক
মনেৰেও আধুনিক হোৱা
সংস্কাৰৰ মুখাপিন্ধা
কু-সংস্কাৰী নাৰীসকল,
কৰ্মেৰেও সংস্কাৰী হোৱা।
স্বভাৱ সুন্দৰী নাৰীৰ গৰিমাক
কলুষিত নকৰিবা
জগত জননীৰ আভূষণেৰে
নাৰীৰ মান ৰক্ষা কৰা।

# তোমাক মনত পেলাবলে নাই প্ৰয়োজন কবিতা সভাৰ

সিদিনা
বুকুত আলফুলে ৰোৱা গোলাপজুপিৰ
পাহিবোৰ এটা এটাকৈ সৰি পৰিছিল।
উতনুৱা বতাহজাকৰ সৈতে ভাহি আহিছিল
'ভিত্তিহীন বিশেষণ'ৰ
কেচেমা-কেচেম গোন্ধ
মোৰে শপত, কবিতা...
নিগৰিব নিদিওঁ তোমাক
মোৰ কাপৰ পৰা।
মোৰ কণ্ঠৰ স'তে
চিৰবৈৰী হৈ
অভিমানী হুমুনিয়াহবোৰ
নীৰৱে সৰি পৰিল
হৈ গীতৰ মালিতা,
কিন্তু
দুঃস্বপ্নৰ পিছত তুমি মোৰ
ভংগ কৰিলা মোহ নিদ্ৰা
'কবিতা ৰাণী',
আনৰ ওঁঠত
হাঁহি বিৰিঙাবলে
বুকুত শিল বান্ধি
হাঁহিৰ নিজৰা বোৱাইছা তুমি
জেতুকাপাতৰ দৰে

সেউজীয়া উশাহেৰে
"জী আছা" বুলি
ভাবে সকলোৱে,
কিন্তু মোহাৰি দিয়া জেতুকাৰ ৰঙা
তুমি কিমান কঢ়িয়াই আছা
তাৰ হিচাপ ৰখা নাই কেৱে
"কবিতা ৰাণী",
তোমাক মনত পেলাবলে
নাই প্ৰয়োজন
কবিতা সভাৰ।
তোমাক বিচাৰি পাওঁ
অনুভৱ-অনুৰাগৰ
সেউজ দলিচাত।
তোমাক বিচাৰি পাওঁ,
ভালপোৱাৰ ৰৰযুণজাকৰ
আগত উটি অহা
মেঘৰ মোহনাত,
প্ৰতিনিয়ত তুমি
সন্তৰ্পণে সোমাই আহা
মোৰ মনৰ কোঠাত
বাখৰুৱা শব্দেৰে
"কবিতাৰ ৰাণী" হৈ
সোঁৱৰাই দিয়া,
"মুকুতাবোৰ তোমাৰ চকুতে থাকিবলৈ দিয়া,
বিশ্বাসক সুৰক্ষা দিব পৰাজনে
আঁজলি পাতি
ধৰিবলৈ অহাৰ দিনা
সৰিবলৈ দিবা।

*(মৰমৰ বিনীতা বা 'বিনীতা ৰবা দেৱচৌধুৰী'ৰ বাবে এই কবিতা)*

# এন্ধাৰৰ আলাপ

নিশাৰ এন্ধাৰৰ স'তে তাই
একাত্ম হৈ পৰিছিল।
পিত্ পিত্‌কৈ খেপিয়াই
বুকুলৈ আঁজুৰি আনিছিল
বৰ্ণিল অতীতৰ
অলেখ স্বৰ্ণিল স্মৃতি।
বুকুৰ সঘন ধপ্‌ধপনিয়ে
তাইক সোঁৱৰাই দিছিল
হিয়াৰ বাগিচাত
বহুদিন ৰঙা গোলাপ
নুফুলাৰ কথা।
সংগোপনে লহপহকৈ
বাঢ়ি অহা অভিমান যেন
তাইৰ অবৈধ সন্তান,
বৈধতাৰ ব্যাখ্যা
আজি মাথোঁ কেইটিমান
মূল্যহীন শব্দ।
মৰমবোৰ সাধুকথা হৈ
বুকুত বিন্ধা হ'ল,
উশাহবোৰ জীৱন জীয়াবলৈ
নহয়,

মাথোঁ জীয়াই থকাৰ
সঁজুলি হ'ল
চকুলো যেন জীৱন মৰুৰ
বালি তিয়াব নোৱাৰা
এটুপি পানী হ'ল
আৰু তাই?
তাই যেন 'তাই' নহৈ
প্ৰয়োজনত ব্যৱহৃত
এটি সামগ্ৰীলৈ
ৰূপান্তৰিত হ'ল।

# স্বাধীনতা

স্বাধীনতা, তুমি কবিৰ এটি
আৱেগৰ কবিতা,
মুক্তিৰ এটি গীত সুৰীয়া
ভাৰত মাতাৰ শিৰত উজলা
ত্ৰিবৰ্ণ সুন্দৰ জাতীয় পতাকা।
স্বাধীনতা
তুমি অন্ধকাৰ সীমান্তৰ
মুক্তিসেনাৰ
চকুত জিলিকা এমুঠি আশা
কত মাতৃৰ বুকু শুদা হোৱা
শত শ্বহীদৰ ৰক্ত কণিকা।
স্বাধীনতা,
তোমাৰ বুকুতে লিখা আছে
আজিও
পৰাধীনতাৰ শিকলি ছিগা
বিজয়ৰ সেই গৌৰৱগাথা
তোমাৰ বুকুতে জ্বলি আছে
আজিও
শত জোৱানৰ ত্যাগৰ
শলিতা
মুক্তিৰ সেই প্ৰদীপ শিখা।

ভাৰতমাতাৰ আকাশে-বতাহে
আজি
স্বাধীনতা কেৱল তোমাৰেই
বন্দনা
মাতৃৰ বিজয়ৰ মালা হৈ তুমি
চিৰপূজ্যা, চিৰবন্দিতা
স্বাধীনতা তুমি
ভাৰতজননীৰ
সেন্দূৰীয়া কপালৰ
উদিত সূৰুযৰ ৰাঙলী আভা।

## প্ৰাপ্তিৰ ঠিকনা

তোমাৰ বুকুত মূৰটো গুঁজি দিলে
কিয় এনে লাগে বাৰু?
যেন মন্দিৰত চাকিগছিহে জ্বলাই দিলো
আস! কি গভীৰ প্ৰশান্তি!
মোৰ বাবে তুমিতো আকাশ!
তোমালৈ চাই চাই মই
শান্তিৰ দলিচাত শুই পৰোঁ
মৰম বৃষ্টিৰে তিয়াই বুৰাই
লৈ যোৱা মোক পলকতে
মৰম-আব্দাৰ
মান-অভিমানৰ ফাকু খেলা
সেই সোণালী দিনবোৰলৈ
যেন আবতৰীয়া ফাগুন।
কেতিয়াবা মোৰ বাবে
তুমি হৈ পৰা
এপাহ ৰঙা গোলাপ

আস...
ইমান কোমল তোমাৰ হিয়া
ঘাত-প্ৰতিঘাতৰ আঁচোৰ খোৱা
ৰক্তাক্ত হিয়াৰেই তুমি
ধৈৰ্য, সাহস আৰু ত্যাগৰ
সুৰভি বিলাই আছা।
চৰ্তহীন ভালপোৱাৰ
অক্ষয় ভাণ্ডাৰ তুমি
মোৰ সকলো ঐশ্বৰ্য প্ৰাচুৰ্যৰ
উৎস তুমি
মা...
মোৰ জীৱনৰ সকলো পূৰ্ণতাৰ
সকলো প্ৰাপ্তিৰ
আধাৰ তুমি।

# প্ৰেমৰ দিৱস

কেউফালে দেখো উখল-মাখল
আহিল হেনো প্ৰেমৰ দিৱস
হৰি-হৰি
কিনো নোহোৱা-নোপোজা
ঘটনাবোৰ হ'ল
প্ৰেমৰ দৰে স্বৰ্গীয় অনুভূতিক
নিৰ্দিষ্ট এটা দিনৰ শিকলিৰে বন্ধা হ'ল।
এৰা,
প্ৰেম মানে প্ৰেমেই
হয়তো,
প্ৰেম মানেতো প্ৰেমেই,
কিন্তু যি প্ৰেমৰ বাবে এটা
নিৰ্দিষ্ট দিন নিৰ্ধাৰিত হ'ব
তাক স্বৰ্গীয় আখ্যা
কেনেকৈনো দিব?
প্ৰেমৰ নিৰ্মলতা, স্বচ্ছতা, পৱিত্ৰতা
কেনেকৈনো মাথোঁ
এটা দিনৰ বান্ধোনত
বান্ধ খাব?
এনেকুৱা নেকি বাৰু?
আমি আজি মান-অভিমান
খং-ৰাগ
অসূয়া-অপ্ৰীতিৰ পৰা
আঁতৰি থাকিম দেই
কেৱল মৰম... মৰম... আৰু মৰম...

উজাৰি দিম আজি
আমাৰ ভালপোৱাবোৰ
ক'লৈ নিবা কোৱা,
শুক্ৰেশ্বৰ পাৰ্ক?
উমানন্দ?
আজি কি লাগিব
কোৱানা,
ম'বাইল?
ঘড়ী?
আৰু দিনটোৰ শেষত
ঘৰলৈ ওভতাৰ পৰত,
'অকৰাটো ক'ৰবাৰ,
আজিহে বগা কামিজটো
পিন্ধি আহিব পাৰিলা
এতিয়া কামিজৰ বুকুত
ট টকৈ জিলিকি থকা
এই ৰঙা দাগটো
কেনেকৈ লুকুৱাবা?'
কিবা যেন,
আটাইবোৰ কৃত্ৰিমতাৰ
প্ৰলেপ সনা,
তুমি মোক অকৃত্ৰিম
মৰম দিয়ানা,
নিভাঁজ ভালপোৱাবে মোক
ঐশ্বৰ্যশালী কৰি তোলানা,
প্ৰতিটো দিনেইচোন
আমাৰ বাবে প্ৰেমৰ দিন

মোক বুজি উঠা
মই তোমাক বুজি উঠিছো
চুই চাব নোৱাৰা,
তুলাচনীত জুখিব নোৱাৰা
ভালপোৱাবোৰ,
দুয়ো দুয়োকে দিওঁ আহা
প্ৰতিদিন, প্ৰতিপল
আমি উদ্‌যাপন কৰোঁ আহা
প্ৰেমৰ দিৱস
কোনো পাৰ্ক বা ৰেস্তোৰাঁত বহি আমি
পাৰ্থিৱ বস্তুৰ দিয়া লোৱা
নকৰো দিয়া,
আহা না,
আমাৰ মনৰ প্ৰেমৰ পুখুৰীটোতে
আমাৰ মৰমবোৰ
ভগাই-পিতাই লওঁ
প্ৰতিদিন, প্ৰতিক্ষণ।
অ'—
আৰু এটা কথা
সেই যে ভগৎ সিং
ৰাজগুৰু আৰু সুখদেৱ?
সেই যে?
দুৰ্দান্ত প্ৰেমিক তিনিজন?
দেশক ভালপোৱাৰ বাবে যে লাহোৰত
১৪ (চৈধ্য) ফেব্ৰুৱাৰীৰ দিনটোতে
ফাঁচীৰ আদেশ শুনোৱা হৈছিল,

অ, অ,
মনত পৰিছেনে
মোৰ দেশৰ তৰুণ-তৰুণীসকল ?
আগতে মনত পৰা নাছিল,
কাবৌ কৰিছো
অন্ততঃ এবাৰ এই দিনটোত
এই অমৰ শ্বহীদক
মনত পেলাবা
তেওঁলোকৰ প্ৰেমো প্ৰেমেই আছিল
প্ৰেমৰ বাবে তেওঁলোকে
জীৱন যজ্ঞত প্ৰাণ
আহুতি দিছিল,
কিন্তু
ক'তো মচিব নোৱাৰা দাগ
লাগিব দিয়া নাছিল
একো দিয়া লোৱাৰে পৰিপূৰ্ণ
নাছিল তেওঁলোকৰ জীৱন
মাথোঁ নিঃস্বাৰ্থভাৱে
ভাল পাইছিল দেশক
যদি প্ৰেমত ভূমণ্ডল ঘূৰে
যদি প্ৰেমত শতদল ফুলে
তেনে প্ৰেমৰ বাবে সুকীয়া দিৱসৰ
আছে জানো প্ৰয়োজন ?
কিয় তেনে
এই দিনত
অমৰ শ্বহীদৰ নামত
একাঁজলি শ্ৰদ্ধাঞ্জলিৰ
নকৰা আয়োজন ?

# নিমাতীঘাট শুইছে এতিয়া

পুৰাবে পৰা মুখৰ হৈ থকা
নিমাতীঘাট শুইছে এতিয়া
আকাশৰ আলিংগনত আবদ্ধ সূৰুয
হেৰাই গ'ল অলেখ
নীলাৰ বুকুত।
মুখৰ নিমাতীও
বাকৰুদ্ধ হ'ল।
নিমাতীৰ গাতে গা লগাই
বৈ থকা মহাবাহুও
ক্লান্ত-শ্ৰান্ত
নিমাত-নিস্তব্ধ।
হয়তো,
নিমাতীৰ পৰশে
উত্তাল কৰা মহাবাহু,
দিনৰ দিনটো
কত নো বোজা কঢ়িয়ালে!
ইখনৰ পিছত সিখন নাও
নাৱৰ বুকুৰে কঢ়িয়াই নিয়া
যাত্ৰী, মটৰগাড়ী
আৰু কত যে কি
সকলোৰে কেৱল
পানীৰ ঢৌ লেখি লেখি
অহা-যোৱাহে কৰে
কমলাবাৰী ঘাটলৈ বুলি।
কেতিয়াবা নটৰাজৰ
তাণ্ডৱ ভংগিমাত

সোঁতত সোণৰ
চেকুৰা সানি
পুনৰ লাস্যময়ী
নাৰী হৈ পৰে
মহাবাহু ব্ৰহ্মপুত্ৰ।
নিমাতীয়ে মিচিকিয়ায়
নিঃশব্দে, নীৰৱে...
সূৰুযৰ স'তে লুইতৰ
প্ৰাণৰ বান্ধোন।
ভাগৰুৱা সখিৰ বুকুত
জোৱাৰ তুলিবলৈ
সূৰুযে হেঙুলী মৰমবোৰ
ছটিয়াই দিয়ে,
তাৰেই এচেৰেঙা ৰঙা আহি
নিমাতীৰ কপাল শুৱনি কৰে
নিমাতীৰ বুকু কঁপি উঠে
লাজত ৰঙা পৰি যায় ঐ দেহি,
লুইতৰ বুকুত উমলি থকা
দুষ্ট মাছকেইটাই
মাজে মাজে লুইতৰ বুকুত
ভাকুটকুটাই দিয়ে
গম্ভীৰ লুইতে নাহাঁহি নোৱাৰে
লুইতৰ হাঁহিয়ে নিমাতীক
টৌৱাই দিয়ে
নিমাতীয়ে খিলখিলায়
মাছকেইটাই বিজয়ৰ গৌৰৱত
জঁপিয়াই জঁপিয়াই নাচে।
পাৰত প্ৰতিধ্বনিত হয়
মাথোঁ হাঁহিৰ খলকনি।

অস...
নিমাতীলৈ বুলি এটি
শেঁতা হাঁহি মাৰি
সূৰুযে অস্তাচলত
ডুব মাৰে।
ভাটিয়ালীৰ সুৰে সুৰে
নাৱৰীয়াই নাও চপাই আনে
যাত্ৰীয়ে পেলোৱা আৱৰ্জনাবোৰ
বুকুৰ একাষলৈ চপাই আনি
নিমাতীও শুই পৰে,
ঠিক যেন
অশিষ্ট পুত্ৰক
অপত্য স্নেহত অন্ধ হৈ
বুকুত সাবটি শুই পৰা
মমতাময়ী মাতৃগৰাকীহে।
পাৰত চন্দ্ৰমাৰ স্নিগ্ধ আলোকত
পৰস্পৰৰ বাহু বন্ধনত
বন্দী হৈ ৰ'ল
বহুতো প্ৰেমিক যুগল।
নিমাতীৰ নিস্তব্ধতাই যেন
অলেখ কথাই কৈ পেলালে
এই প্ৰেমপ্ৰয়াসী মনবোৰক
দেহবোৰক,
প্ৰতিটো দিনৰ
প্ৰতি পলৰ
সাক্ষী এই নিমাতীঘাট।
বহুতো আনন্দ

বহুতো বিষাদ
মান-অভিমান
প্ৰেম-ভালপোৱাৰ
বুৰঞ্জী ৰচিত হৈছে
এই নিমাতীৰ বুকুত।
নিমাতীৰ মুখেৰে মাত নোলায়
মাথোঁ যুগে যুগে
বুকুত কঢ়িয়াই আছে
অলেখ-অলিখিত ইতিহাস
নিমাতীৰ দৰে লুইতেও
ব্যক্ত নকৰে
নিজৰ দুখ-বেদনা।
মাথোঁ পাতল হৈ পৰা বুকুত
গধুৰ বোজা কঢ়িয়াবলৈ
প্ৰতিনিয়ত কৰে
সূৰুযৰ অপেক্ষা,
নিমাতীয়ে বুকুত কঢ়িয়াই থকা
অলিখিত বুৰঞ্জীৰ
নীৰৱ সাক্ষী হৈ
লুইত মাথোঁ
বৈ যায়
বৈ যায়
বৈয়েই যায়,

# গুন গুন গানে গানে

## গীত - ১

তুমি সুৰেৰে সজালা ধৰণী
হে সুন্দৰ পূজাৰী
তোমাৰ সুৰত ঝংকাৰি উঠে
মোৰ হিয়াৰ ৰাগিণী
সুৰেৰে সজালা ধৰণী
হে সুন্দৰ পূজাৰী,

তোমাৰ সুৰতে বাজে মিলনৰ তান
উটি-ভাহি যায় গুচি
নিৰাশাৰ বান
অযুত প্ৰাণৰ তুমি নয়নাভিৰাম
মোহন হাঁহিৰে তুমি
নটবৰ শ্যাম
তোমাৰ সুৰত ঝংকাৰি উঠে
মোৰ হিয়াৰ ৰাগিণী
সুৰেৰে সজালা ধৰণী
হে সুন্দৰ পূজাৰী

তোমাৰ সুৰতে ফুলে
হেঁপাহৰ ফুল
হেজাৰ চকুত ভাহে
আশাৰ সপোন
জীৱনৰ গান তুমি
ৰূপ অপৰূপ
সুৰতে প্ৰতিভাত
জীৱন দাপোণ
তোমাৰ সুৰত
ঝংকাৰি উঠে
মোৰ হিয়াৰ ৰাগিণী
সুৰেৰে সজালা ধৰণী
হে সুন্দৰ পূজাৰী

*(শিল্পী দিৱস উপলক্ষে লিখা গীত*
*কথা, কণ্ঠ, সুৰ ঃ মঞ্জিৰা শৰ্মা*
*সংগীত ব্যৱস্থাপনা ঃ অনুপ শৰ্মা*
*বাণীবন্ধন ঃ ষ্টুডিঅ' ছাউণ্ড টেক্)*

## গীত - ২

আজি মোৰ মন আকাশত
ৰ'দে ফেঁহুজালি দিলে
হাঁহিৰে ফাকু খেলো
আহা আজি জীৱনৰ দুপৰতে দুপৰতে দুপৰতে,
আজি মোৰ মন আকাশত,

গাইছো ৰাগ মেঘমল্লাৰ
মৰম ঘনে ঘনে বৰষে
চকুৰে চকুৰে বিজুলীৰ খেলা
হিয়া দিয়া নিয়া মনে মনে
নোকোৱা কথাও কোৱা হৈ যায়
এটি মাথোঁ মিঠা হাঁহিতে
আজি মোৰ মন আকাশত

মন পলাশৰ ৰঙে ৰঙালা
উপচালা হিয়া মৰমেৰে
মই যেন এজাক মলয়া বতাহ
তুমি যেন সুবাস শেৱালিৰে
উৰুৱাই নিম তোমাকে মই
নিজান দূৰণিলে
আজি মোৰ মন আকাশত
ৰ'দে ফেঁহুজালি দিলে
হাঁহিৰে ফাকু খেলো
আহা আজি জীৱনৰ দুপৰতে দুপৰতে
দুপৰতে,

কথা, কণ্ঠ ঃ মঞ্জিৰা শৰ্মা
সুৰ ঃ দেৱজিৎ চৌধুৰী
সংগীত ব্যৱস্থাপনা ঃ ৰঞ্জীৱ দাস
বাণীবন্ধন ঃ ষ্টুডিঅ' ড্ৰীম্চ

## গীত - ৩

ভাল পাওঁ বুলিয়েই
ৰঙা ৰঙা ৰং
সেউজীয়া হিয়া মোৰ
ৰঙা কৰিলা
ভাল পাওঁ বুলিয়েই
মদাৰ ফুল
মোক তোমাৰ পূজাত নলগালা
ভাল পাওঁ বুলিয়েই,

ভাল পাওঁ বুলিয়েই
বৰষা ঋতু
মোৰ প্ৰেম পঁজা
উটুৱাই নিলা
ভাল পাওঁ বুলিয়েই
গোলাপৰ কলি
কাঁইটেৰে মোৰ
হিয়া জুমি চালা
ভাল পাওঁ বুলিয়েই
মদাৰ ফুল
মোক তোমাৰ পূজাত নলগালা
ভাল পাওঁ বুলিয়েই,

ভাল পাওঁ বুলিয়েই
আকাশৰ বিশালতা
মোৰ মৰমৰ
পৰিধি জুখিলা
ভাল পাওঁ বুলিয়েই
কেৱল তোমাক
তোমাৰ মৰম
আনক দিলা
ভাল পাওঁ বুলিয়েই
মদাৰ ফুল
মোক তোমাৰ পূজাত নলগালা
ভাল পাওঁ বুলিয়েই,

কথা, কণ্ঠ ঃ মঞ্জিৰা শৰ্মা
সুৰ ঃ দেৱজিৎ চৌধুৰী
সংগীত ব্যৱস্থাপনা ঃ ৰঞ্জীৱ দাস
বাণীবন্ধন ঃ জিণ্টু বৰদলৈ (ষ্টুডিঅ' ড্ৰীম্‌চ)

## গীত - ৪

মোক তুমি এটি সুৰ কৰি তোলা
তোমাৰ কথাৰ নিজৰাত মোক
বৈ যাবলে দিয়া
সাত ৰহণৰ ৰামধেনু হৈ
মোৰ মনাকাশ বুলোৱা
এমুঠি আশাৰ জোনাক তুমি হৈ
মন পদূলিত সৰা
মোক তুমি এটি সুৰ কৰি তোলা,

তুমি তুমি
মাথোঁ তুমিয়েই মোৰ
হেৰোৱা গীতৰ বাণী
তুমি তুমি
মাথোঁ তুমিয়েই মোৰ
হেৰোৱা ওঁঠৰ হাঁহি
তোমাৰ বাবেই বৈ আছো মই
আশাৰ কাজল সানি
মাথোঁ মযেই হ'ম
মই আজি
হেৰোৱা সুখৰ বাণী
মোক তুমি এটি সুৰ কৰি তোলা...

মনৰ দুৱাৰ খুলি থোৱা দেখি
আহিলা সোমাই তুমি
মৰম সেউজ দলিচাত তুমি
সিঁচিলা আশাৰ মণি
নিতে সিঁচি দিয়া এমুঠি জোনাক
দুখৰ ডাৱৰ ঠেলি
মাথোঁ মযেই হ'ম
মই আজি
হেৰোৱা সুখৰ বাণী
মোক তুমি এটি সুৰ কৰি তোলা।

কথা, কণ্ঠ ঃ মঞ্জিৰা শৰ্মা
সুৰ ঃ দেৱজিৎ চৌধুৰী
সংগীত ব্যৱস্থাপনা ঃ ৰঞ্জীৱ দাস
বাণীবন্ধন ঃ ষ্টুডিঅ' ড্ৰীমচ

## গীত - ৫

বহুদূৰ বাট বুলি আহিলো
নাপালো লগ তেতিয়া
আজি কিয়নো মাজ বাটতে
তুমি আহি ধৰা দিলা
বহুদূৰ বাট বুলি আহিলো

মনোবীণাত মোৰ
বাজি উঠিছিল
প্ৰেম ৰাগিণী যেতিয়া
তেতিয়া আনৰ
মৰম সাগৰত
জোৱাৰ তুমি তুলিছিলা
নক'লোৱেই বা ভাল পাওঁ বুলি
কাষৰতে তুমি আছা
যদিও বা তুমি
মোৰ বাবে আজি
দূৰ আকাশৰ তৰা
বহুদূৰ বাট বুলি আহিলো

মানসপটত মোৰ
তুমি এটি মাথোঁ
মিঠা স্মৃতি হৈয়ে ৰোৱা
নালাগে নকৰো
মান-অভিমান
মাথোঁ তুমি
সুখী হোৱা
নক'লোৱেই বা ভাল পাওঁ বুলি
কাষৰতে তুমি আছা
যদিও বা তুমি মোৰ বাবে আজি
দূৰ আকাশৰ তৰা
বহুদূৰ বাট বুলি আহিলো

**কথা, কণ্ঠ ঃ** মঞ্জিৰা শৰ্মা
**সুৰ ঃ** দেৱজিৎ চৌধুৰী
**সংগীত ব্যৱস্থাপনা ঃ** ৰঞ্জীৱ দাস
**বাণীবন্ধন ঃ** ষ্টুডিঅ' ড্ৰীমচ

## গীত - ৬

ৰিব ৰিব এছাটি বতাহে
ব'হাগৰ সুবাস কঢ়িয়ায়
আঁহতৰ কোমল পাতে
ব'হাগৰ গগনা বজায়
ৰিব ৰিব এছাটি বতাহে,

সেউজ ৰঙেৰে ঘাঁহনিডৰাত
ব'হাগ নামে ধীৰে ধীৰে
তেজ ৰঙেৰে কাঠনিডৰাত
মদাৰ ফুলে হালে-জালে
দূৰণিৰ পথাৰত
চেনাইৰ বাঁহীৰ সুৰে
চেনেহীক মতলীয়া কৰে
তাঁতৰ পাটত বহি
হাতৰ মাকো দেখোন
ঘনে ঘনে সৰকি পৰে
ৰিব ৰিব এছাটি বতাহে,

জেতুকা বুলীয়া হাত দুখনিৰে
লাজত চকু ঢাকি ধৰে
বুকুতে সাঁচি ৰখা মৰমবোৰ
দিবলে বাউলী হৈ পৰে
চেনাইৰ বিৰহতে
চেনেহীৰ দুগালে
দুধাৰি চকুলো সৰে
তাঁতৰ পাটত বহি
হাতৰ মাকো দেখোন
ঘনে ঘনে সৰকি পৰে
ৰিব ৰিব এছাটি বতাহে।

কথা, কণ্ঠ ঃ মঞ্জিৰা শৰ্মা
সুৰ ঃ দেৱজিৎ চৌধুৰী
সংগীত ব্যৱস্থাপনা ঃ ৰঞ্জীৱ দাস
বাণীবন্ধন ঃ ষ্টুডিঅ' ড্ৰীমচ

# গীত - ৭

এই নিজম গধূলি
হিয়াৰ দুৱাৰ খুলি
কাৰ বাবে গীত গাওঁ
কাৰ বাবে মোক সজাওঁ
সেউজ সুৰৰ দলিচা পাৰি
ঘনে ঘনে বাটলৈ চাওঁ
কাৰ বাবে গীত গাওঁ
কাৰ বাবে মোক সজাওঁ,

নাহো নাহোঁকৈ বলিয়া ফাগুন
কিয়নো কৰিলি মন বিয়াকুল
মদাৰৰ জুই জ্বলাই বুকুত
বৰষা নমালি মোৰ দুচকুত
নাজানো মই
কাৰ বাবে গীত গাওঁ
কাৰ বাবে মোক সজাওঁ,

নকৈ নকৈ অনেক কথাই
কিয় যে পেলালো কৈ
হিয়াত বন্দী অভিমান হ'ল
দুচকু বাগৰি নৈ
নাজানো মই
কাৰ বাবে গীত গাওঁ
কাৰ বাবে মোক সজাওঁ
সেউজ সুৰৰ দলিচা পাৰি
ঘনে ঘনে বাটলৈ চাওঁ

কথা-সুৰ ঃ মঞ্জিৰা শৰ্মা

# আলাপ-সংলাপ

# কোনখন নাটৰ নায়িকা মই

কোনখন নাটৰ নায়িকা মই?
নায়িকা হ'ব খোজা নাছিলো মই
মোৰ নাম সোণতৰা।
গাঁৱৰ ককা-আইতা, খুৰা-মামা, পেহী-মামীহঁতৰ মই
মৰমৰ তৰা,
আই-পিতাইৰ হেনো মই
কলিজাৰ এফাল
আৰু, আৰু বংমনৰ? মই হেনো তাৰ
প্ৰতিটো উশাহ,
মোৰ হাঁহিয়ে হেনো
তাৰ কলিজালৈ বোৱাই আনে
প্ৰেমৰ দুটি ধাৰা
গংগা যমুনা,
—তৰা, মোৰ সোণ
তই মোক এৰি ক'লৈকো নাযাবি দেই
মই মৰি যাম অ',
— হুঃ আজি মইহে চোন
মৰি মৰি জীয়াই আছোঁ অ'
সেই যে তই চাকৰিটোত সোমোৱাই দিলি
ওলাবই পৰা নাই,
স্ন'-পাউডাৰ, নেইল পলিচ
তই আৰু টাউনলৈ গৈ
আনিব নালাগে,
—তৰা, কাইলৈ মই টাউনলৈ যাম

তই কাইলৈ নৈৰ ঘাটলৈ
নাহিবি দেই
—কি? তই টাউনলৈ যাবি?
মোলৈ এটা জবাকুসুম তেল আনিবিনে? যোৱাবাৰ টাউনলৈ যাওঁতে
তই আনি দিয়া পাউডাৰটোও শেষ হ'ল
নখকেইটা চাচোন
ৰং নসনা কাৰণে
তেনেই শেঁতা শেঁতা যেন
লগা হৈছে,
তই টাউনৰ পৰা আনি দিয়া প্ৰতিটো বস্তুৰে
মই হেনো পৰীজনী হৈ পৰিছিলো
তোক দেখিলে মোৰ ৰঙা হৈ পৰাগাল দুখনলৈ চাই
তই কিয় কৈছিলি
তাৰে এচিকুট আনি
তই মোৰ সেওঁতাৰ আলি
ৰঙা কৰিবি বুলি?
তই মীনাবাঈৰ হাতত
মোক গতাই থৈ
গুচি গ'লি,
নতুন ঠাই
নতুন চাকৰি,
বৰ আচহুৱা চাকৰি মোৰ
এপাহ অনাঘ্ৰাত ফুল হৈ
তোক পূজিবলৈ
বৰ আলফুলকৈ ৰাখিছিলো মোৰ দেহাটো।
আনকি
গাঁৱৰ ৰতন মণ্ডলৰ সেই
উদণ্ডীয়া পুতেকটোৰ পৰাও
বৰ সযতনে
বৰ কৌশলেৰে

বচাই ৰাখিছিলো মোক
মইতো জনা নাছিলো
মই বিচাৰি থকা ভোমোৰাটোৱে
মোৰ দেহৰ মধুপান নকৰি
জাকে জাকে ভেনামাখি পৰিবলৈ
এৰি থৈ যাব মোক
এই বন্ধ কুঠৰীত।
তই কাৰ ৰঙাপৰা গালৰ
এচিকুট নি
সেওঁতাৰ আলি ৰঙা কৰিলি
মই নাজানিলো মোৰ সোণ
কিন্তু তই সেউজীয়া কৰা
মোৰ বুকুৰ দলিচাখনি
তেজৰ বোলেৰে ৰঙা কৰিবলৈকে
মোক মৰম কৰিছিলি নে তই?
দ্ৰৌপদীৰ বস্ত্ৰ হৰণ নাটত তই
কৃষ্ণৰ ভাও লৈ
বাহ বাহ লৈছিলি,
আজি যিখন নাটত
তই মোক নায়িকা সজালি
তাৰ বাবে তই
কি পালি অ' ৰংমন?
কেইটামান টকা?
পিতাইক নক'লি কিয়???
পিতায়ে মহাজনৰ হাতত
মাটিডৰা বন্ধকত থৈ
টকা দিলেহেঁতেন তোক,
মোৰ দেহাটো বন্ধকত থৈ
গেলামালৰ দোকান খুলিবলৈ

মীনাবাঈৰ পৰা লোৱা টকাকেইটাৰে
তই গাঁৱৰ আন ডেকাকো
স্বাৱলম্বী হোৱাৰ পথ দেখুৱাবি নেকি অ'?
মোৰে শপত
মোৰ তোলৈ থকা মৰমৰ শপত
তই তেনে নকৰিবি
তোৰ উশাহৰ তৰাজনীৰ সপোনবোৰ
তই পুৰি ছাই কৰি দিলি
তোৰ মৰমেৰে উখহা
নোদোকা বুকুত মূৰ থৈ
সুখৰ সংসাৰৰ সপোন দেখা তৰাৰ
আজি সঁচা বাস্তৱটোৰ
মুখামুখি হ'বলৈ
কাকো নিদিবি অ' ৰংমন
কোনো সঁচা মৰমে
প্ৰেমৰ সমাধি নাসাজে
ময়ো নাসাজো
নোৱাৰো অ',
সেয়ে মই আজিও তোক কওঁ,
তোক ভাল পাওঁ মই
বহুত, বহুত
ভাল পাওঁ তোক
আনৰ চকুত মই
বীৰাংগনা হ'লেও
মোৰ চকুত আজিও মই
তোৰেই মৰমৰ তৰা
তোৰেই মৰমৰ তৰা।

# জীৱনৰ ডুখৰীয়া ছবি

(১)

বগা অ'ডিখনৰ পৰা ৰঙা-বগা, লোদোৰ-পোদোৰ ববকাট আদহীয়া মহিলাগৰাকী আভিজাত্যৰ পৰিচয় বহন কৰা এক বিশেষ ভংগিমাত নামি কৌতূহলী দৃষ্টিৰে ইফালে-সিফালে চালে, লাহেকৈ হাতত লোৰা পলিথিনৰ টোপোলাটো পদপথৰ দাঁতিতে থৈ গুৰু-গম্ভীৰ খোজেৰে 'শ্ৰদ্ধাঞ্জলি পাৰ্ক' অভিমুখে আগুৱাই গ'ল (সময় পুৱা ৫.৩০ মিনিট) ৰাস্তাত ভৌ-উ-উ-কৈ ওপৰলৈ মুখ তুলি চিঞৰি মাজে মাজে ভগৱানৰ ওচৰত প্ৰতিবাদ সাব্যস্ত কৰা ঢেকুৰা কুকুৰটো দৌৰ মাৰি যোৱা আৰু পদপথৰ ওপৰত নিগাজিকৈ ঘৰ পতা বিকলাংগ বৃদ্ধজনক দুপিয়াই দুপিয়াই টোপোলাটোলৈ বুলি আগবাঢ়ি যোৱা দেখি বুজিলো পৃথিৱীত এচামে দৌৰে ক্ষুধা নিবাৰণৰ বাবে আৰু এচামে দৌৰিবলৈ পাৰ্কলৈ আহে খোৱাবোৰ হজম হ'বৰ বাবে।

(২)

—কি হ'ল অ' মিনু, ক্ষীণাই শুকাই নাইকিয়া হ'লিচোন। বেমাৰ নেকি?

—বেমাৰ নো কি আৰু, এসাঁজ খাবলৈ পালেহে শকত-আৱত হ'ম। লোকৰ ঘৰে ঘৰে দেহা মাৰি কামহে কৰিছো, খাবলৈ পাওঁ জানো? ল'ৰা-ছোৱালীকেইটাক এসাঁজ নিমখেৰে খুৱাই ঘৰ ভাড়া দিওঁতেই মাহৰ মূৰকত পোৱা টকাকেইটা আদায় হয়। লঘোনতে পৰো মাহৰ ভালেকেইটা দিন (চকু চলচলীয়া)

লগে লগে মনত পৰিল কালি বান্ধৱী পৰীয়ে কোৱা এষাৰ কথা ,

—'দিদিয়ে ইমানবোৰ ৰান্ধে জান, খোৱাই নহয়। এওঁৰতো সময়েই নাই, Chamberতে থাকে দিন-ৰাত। মইনো অকলে ঘৰত কি খাম, ওলাই যাওঁ, friendsৰ লগত ঘূৰি পকি, marketing কৰি বাহিৰতে খাই লওঁ কিবাকিবি। বিকি আৰু ঋষাতো বাংগালুৰুতেই থাকে,

বুজিলো, কাৰোবাৰ এসাঁজ খাবলৈ অন্নৰ অভাৱ, কাৰোবাৰ এসাঁজ খাবলৈ লগ আৰু সময়ৰ অভাৱ।

(৩)

চাৰিআলিৰ পৰা অকণমান খোজকাঢ়ি আহোঁগৈ বুলি ওলাইছো। হঠাৎ

—মোক মাৰিছা কিয় ? (চেপা কৰুণ নাৰী কণ্ঠ)।

—হুহ, মাৰিছা কিয়! আৰু খাবি মাৰ। তোক কিমানবাৰ কৈছো, এনেয়ে এনেকৈ থাক যদি থাক, মোৰ পিছত লাগি নাথাকিবি। তোকতো মই কেতিয়াবাই এৰিছোঁ। তই যি পাইছ তাতে সন্তুষ্ট থাক, এনেকৈই সুখী হ'বলৈ চেষ্টা কৰ আৰু মোকো সুখ-শান্তিত থাকিবলৈ দে,

(বুজিলো, কাৰোবাক সুখী কৰি নিজে সুখী হ'বলৈ কোনোবাই কাৰোবাক দুখী কৰিবলৈও কুণ্ঠাবোধ কৰা নাই)

(৪)

—কেনে আছ ৰীতা ?

—ভালে আছো (মুখত আগৰ দৰেই মিঠা হাঁহিটো)

—গালত এইটো কিহৰ দাগ লগাই ল'লি

—ৰাহুলৰ মৰমৰ অত্যাচাৰৰ দাগ (চকু চলচলীয়া)

(ভাবিলো, পূৰ্ণহতীয়া চৰ ইয়াকেই কয় তাৰ মানে)

—তই সুখী নে ?

—মায়েওতো এনেকৈয়ে সুখী হ'বলৈ চেষ্টা কৰিছিল, যাওঁ দে, ৰাতি ৰুটীৰ লগত মাংস ৰেডী কৰি থ'বলৈ কৈ গৈছে, chicken এটা কিনি লৈ যাওঁ (হাঁহি হাঁহি তাই আঁতৰি গৈছিল যেন কেতিয়াও তাই কান্দি পোৱা নাই)

(এনেদৰে হয়তো আজিৰ তাৰিখতো হেজাৰজনী ৰীতাই জীৱন জীয়াৰ নামত কেৱল উশাহ লৈ আছে ক্ষত-বিক্ষত হিয়াৰে "একো নাই হোৱা, মই বিৰাট সুখী" ভাবত)

বিঃ দ্ৰঃ জীৱনৰ ডুখৰীয়া ছবিত উল্লেখ কৰা নামবোৰ কাল্পনিক



লেখিকা মঞ্জিৰা শৰ্মা বকোৰ জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা। ব্যস্ততাৰ মাজতো তেওঁ সাহিত্য চৰ্চাত গভীৰ মনোনিৱেশ কৰি আহিছে। ১৯৯৩-৯৪ চনত স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাত তেওঁ অসমীয়া বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানসহ স্বৰ্ণপদক লাভ কৰাৰ উপৰিও বাণীকান্ত কাকতি বঁটা পাইছিল। তেওঁ সাহিত্য সাধনাৰ সমান্তৰালভাৱে সংগীত চৰ্চাও কৰি আহিছে। ইতিমধ্যে তেওঁৰ অসমীয়া আধুনিক গীত আৰু আবৃত্তিৰ শ্ৰব্য চিডি প্ৰকাশ পাইছে। লেখিকা শৰ্মা 'সাহিত্য প্ৰসংগ' আৰু 'শংকৰদেৱ-মাধৱদেৱ ঃ সৃষ্টি আৰু দৃষ্টি' শীৰ্ষক দুখন গ্ৰন্থ প্ৰকাশ পাইছে। 'কথা-মালিতা' লেখিকাৰ নৱতম গ্ৰন্থ।

Purbayon
Publication
Guwahati | Assam | India
purbayonindia21@gmail.com
www.purbayonpublication.com

ISBN : 978-81-19001-06-4
9 788119 001064